**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-10-2024
**Time :** 0900 Hrs.

# Assamese Morning Bulletin
## Headlines

১। জাগীৰোডৰ ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ বাবে পানী যোগান আঁচনিত ৰাজ্যিক কেবিনেটৰ অনুমোদন। অহা ৪-৫ অক্টোবৰত প্ৰথম পৰ্যায়ত ৰাজ্যৰ ৩৯ খন সমজিলাৰ কাৰ্যালয় মুকলি।

২। অইল ইণ্ডিয়া লিমিটেডে গুৱাহাটী, তিনিচুকীয়া, যোৰহাট আৰু শিৱসাগৰত স্থাপন কৰিবলগীয়া চি বি জি প্ৰকল্পৰ ভূমি পূজনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অংশগ্ৰহণ।

৩। বান ক্ষতিগ্ৰস্ত অসমলৈ কেন্দ্ৰীয় চৰকাৰৰ ৭১৬ কোটি টকাৰ আবণ্টন।

৪। ১৫৫ সংখ্যক জয়ন্তী উপলক্ষে জাতিৰ পিতা মহাত্মা গান্ধীলৈ দেশবাসীৰ শ্ৰদ্ধাঞ্জলি। স্বচ্ছ ভাৰত অভিযানৰ ১০ বছৰ সম্পূৰ্ণ।

*আৰু*

৫। আজি মহালয়া। ধৰালৈ দেৱী দুৰ্গাৰ আগমনৰ ক্ষণত ৰাজ্যৰ বিভিন্ন স্থানত উখল-মাখল পৰিৱেশ।

০০০০০০০

ৰাজ্যত প্ৰথম পৰ্যায়ত অহা ৪ আৰু ৫ অক্টোবৰত ৩৯ খন সমজিলাৰ কাৰ্যালয় মুকলি কৰাৰ বাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। কালি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত ৰাজ্যিক কেবিনেটত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। চৰকাৰৰ সিদ্ধান্ত অনুসৰি মন্ত্ৰীসকলে বিভিন্ন জিলালৈ গৈ এই দুদিনত সম জিলাৰ কাৰ্যালয়সমূহ মুকলি কৰিব আৰু সেইদিনাৰ পৰাই কাৰ্যালয়সমূহৰ কাম-কাজ আৰম্ভ হ'ব। প্ৰতিখন সমজিলাত একোজন এ ডি চি পৰ্যায়ৰ বিষয়া থাকিব আৰু তেওঁ সমজিলাৰ আয়ুক্ত বুলি জনা যাব। উচ্চতৰ মাধ্যমিক পৰীক্ষাত ৬০ শতাংশৰে উত্তীৰ্ণ হোৱা ছাত্ৰী আৰু ৭৫ শতাংশৰে উত্তীৰ্ণ হোৱা ছাত্ৰক ড° বাণীকান্ত কাকতি বঁটাৰে স্কুটি প্ৰদান কৰাৰ সিদ্ধান্ততো কেবিনেটে অনুমোদন জনাইছে। সৰ্বমুঠ ৪০ হাজাৰ ৭৩৫ গৰাকী ছাত্ৰী, ৭ হাজাৰ ৯৩৮ জন ছাত্ৰক এই স্কুটি প্ৰদান কৰাৰ বাবে চৰকাৰে অনুমোদন জনায়। এই স্কুটিসমূহ প্ৰদানত ৰাজ্য চৰকাৰৰ ৩৪৫ কোটি ৭৫ লাখৰো অধিক ধন ব্যয় হ'ব। ৰাজ্যিক মন্ত্ৰীসভাৰ বৈঠকৰ পাছত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সাংবাদিকৰ আগত কালি এই বিষয়ে প্ৰকাশ কৰে। অসম লোকসেৱা আয়োগৰ ২০১৩ আৰু ১৪ বৰ্ষৰ পৰীক্ষাত অনিয়ম সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদন পৰৱৰ্তী অসম বিধানসভাৰ অধিবেশনত দাখিল কৰাৰ প্ৰস্তাৱতো কেবিনেটে অনুমোদন জনাইছে। তদুপৰি জাগীৰোডৰ ছেমি কনডাক্টৰ প্ৰকল্পত পানী যোগানৰ আঁচনিত কেবিনেটে অনুমোদন জনাইছে। এই সন্দৰ্ভত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই এইদৰে কয় –

(ভইচকাষ্ট)

আনহাতে, বিদ্যুতৰ বৰ্ধিত চাহিদা পূৰণ কৰিবলৈ কেবিনেটে এ পি ডি চি এলৰ জৰিয়তে টেহৰী জল উন্নয়ন নিগম লিমিটেড কালাই জল বিদ্যুৎ প্ৰকল্পৰপৰা ২০০ মেগাৱাট বিদ্যুৎ ক্ৰয়ৰ প্ৰস্তাৱত অনুমোদন জনায়। কেবিনেটে কাৰ্বি আংলং জিলাৰ ২৬৪ গৰাকী উচ্চ মাধ্যমিক শিক্ষকৰ চাকৰিৰ অনুমোদন দিয়াৰ পাছত তেওঁলোকৰ প্ৰথম মাহৰ দৰমহাৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি অইল ইণ্ডিয়া লিমিটেড গুৱাহাটী, তিনিচুকীয়া, যোৰহাট আৰু শিৱসাগৰত স্থাপন কৰিবলগীয়া চি বি জি প্ৰকল্পৰ ভূমি পূজন অনুষ্ঠানত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰিব। শিৱসাগৰ, যোৰহাট আৰু তিনিচুকীয়াত আজি পুৱা চাৰে ৯ বজাত আৰু গুৱাহাটীত পুৱা ১০ বজাত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অইল ইণ্ডিয়া লিমিটেডে এখন বিবৃতিযোগে এই কথা প্ৰকাশ কৰিছে।

০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে অসমকে ধৰি ১৪ খন বান ক্ষতিগ্ৰস্ত ৰাজ্যলৈ ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি পুজি আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰিৰ পুজিৰ অংশ হিচাপে ৫ হাজাৰ ৮৫৮ কোটি ৬০ লাখ টকাৰ আৱণ্টন দিছে। কেন্দ্ৰীয় চৰকাৰে অসমলৈ ৭১৬ কোটি টকা আবণ্টন দিছে। একেদৰে মহাৰাষ্ট্ৰলৈ এহেজাৰ ৪৯২ কোটি টকা, অন্ধ্ৰ প্ৰদেশলৈ এহেজাৰ কোটিৰো অধিক টকা, গুজৰাটলৈ ৬০০ কোটি টকা আৰু তেলেংগানালৈ ৪১৭ কোটি টকা মোকলাই দিয়া হৈছে। চলিত বৰ্ষৰ বাৰিষা কালত অতিমাত্ৰা বৰষুণ, বান আৰু ভূমিস্খলনৰ ফলত এই ৰাজ্যসমূহ ক্ষতিগ্ৰস্ত হৈছিল। বানত ক্ষতিগ্ৰস্ত অসম, মিজোৰাম, কেৰালা, ত্ৰিপুৰা, নাগালেণ্ড, গুজৰাট, অন্ধ্ৰ প্ৰদেশ, তেলেংগানা আৰু মণিপুৰলৈ ক্ষয়-ক্ষতিৰ মূল্যায়নৰ বাবে আন্তঃমন্ত্ৰালয় কেন্দ্ৰীয় দল প্ৰেৰণ কৰা হৈছিল। কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে সামাজিক মাধ্যমৰ এটা পোষ্টত কয় যে প্ৰাকৃতিক দুৰ্যোগৰ ফলত ক্ষতিগ্ৰস্ত হোৱা ৰাজ্যসমূহক সহায় কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ সংকল্পবদ্ধ। তেওঁ লগতে কয় যে চলিত বৰ্ষত ইতিমধ্যে ২১খন ৰাজ্যলৈ ১৪ হাজাৰ ৯০০ কোটিৰো অধিক টকা মোকলাই দিয়া হৈছে।

00000000

জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৫ সংখ্যক জয়ন্তীত আজি সমগ্ৰ দেশবাসীয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। নতুন দিল্লীৰ ৰাজঘাটৰ বাপুৰ সমাধিস্থলীত গান্ধী জয়ন্তী উপলক্ষে আজি এখন সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হৈছে। জন্মবাৰ্ষিকী উপলক্ষে দেশবাসীয়ে আজি প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীকো স্মৰণ কৰিছে।

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে দেশবাসীক মহাত্মা গান্ধীৰ সপোনৰ ভাৰতৰ ধাৰণাৰে সত্য, অহিংসা, প্ৰেম আৰু বিশুদ্ধতাৰ মূল্যবোধক গ্ৰহণ কৰাৰ সংকল্প ল'বলৈ আহ্বান জনাইছে। জাতিৰ পিতা মহাত্মা গান্ধীৰ ১৫৫ সংখ্যক জয়ন্তীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে দেশ আৰু সমাজৰ উন্নয়ন অবিৰতভাৱে আগুৱাই নিবলৈ জনসাধাৰণক চেষ্টা কৰিবলৈ আহ্বান জনাইছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গান্ধী জয়ন্তী উপলক্ষে তেওঁৰ প্ৰতি শ্ৰদ্ধা জনাই সত্য আৰু সমতাৰ ভিত্তিত আধাৰিত মহামানৱগৰাকীৰ জীৱন আৰু আদৰ্শই দেশবাসীক সদায় অনুপ্ৰেৰণা যোগাব বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে প্ৰাক্তন প্ৰধানমন্ত্ৰী লাল বাহাদুৰ শাস্ত্ৰীৰ জয়ন্তী উপলক্ষে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

ইপিনে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মহাত্মা গান্ধীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই তেওঁ অহিংসা আৰু প্ৰেমৰ বাণীৰে সমগ্ৰ বিশ্বৰ মানৱ জাতিক উদ্বুদ্ধ কৰিছিল বুলি উল্লেখ কৰে।

গান্ধী জয়ন্তী উপলক্ষে আজি দৰং জিলা প্ৰশাসনৰ উদ্যোগত মঙলদৈৰ জিলা আয়ুক্ত কাৰ্যালয় চৌহদত থকা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত বন্তি প্ৰজ্বলন কৰা হয়। এই উপলক্ষে গান্ধী স্মৃতি উদ্যানত সৰ্বধৰ্ম প্ৰাৰ্থনা, চিত্ৰাংকন, বক্তৃতা আদি প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ১৫৫ সংখ্যক গান্ধী জয়ন্তী উপলক্ষে স্বচ্ছ ভাৰত দিৱস, ২০২৪ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। স্বচ্ছতাৰ বাবে অন্যতম উল্লেখযোগ্য গণ আন্দোলন স্বচ্ছ ভাৰত অভিযান আৰম্ভ হোৱাৰ আজি ১০ বছৰ সম্পূৰ্ণ হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানত অনাময় আৰু পৰিস্কাৰ পৰিচ্ছন্নতাৰ সৈতে জড়িত ৯ হাজাৰ ৬০০ কোটি টকাৰ অধিক মূল্যৰ কেইবাটাও প্ৰকল্প শুভাৰম্ভ কৰিব। ইয়াৰ ভিতৰত আমৰুট আৰু আমৰুট ২.০ৰ অধীনত প্ৰকল্প, স্বচ্ছ গংগাৰ বাবে ৰাষ্ট্ৰীয় অভিযান আৰু গোবৰ্দ্ধন আঁচনিৰ অধীনত ১৫টা সংকুচিত বায়'গেছ প্ৰকল্প অন্যতম।

আনহাতে, স্বচ্ছতাই সেৱা ২০২৪ শীৰ্ষক পষেকীয়া কাৰ্যসূচীৰ সামৰণি উপলক্ষে গোলাঘাট জিলাৰ কাজিৰঙা সন্মিলন কেন্দ্ৰত হ'বলগীয়া স্বচ্ছ ভাৰত দিৱসৰ অনুষ্ঠানত ৰাজ্যৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা উপস্থিত থাকিব।

ইপিনে স্বচ্ছতাই সেৱা অভিযানৰ অধীনত আজি আকাশবাণী গুৱাহাটীৰ বিষয়া-কৰ্মচাৰীসকলে স্বচ্ছতাৰ হকে শ্ৰম দান কাৰ্যসূচী ৰূপায়ণ কৰিব। ইয়াৰ লগতে চাফাই মিত্ৰসকলক সম্বৰ্দ্ধনা জনোৱা হ'ব। এই উপলক্ষে আকাশবাণী গুৱাহাটীৰ চৌহদত এটা স্বাস্থ্য পৰীক্ষা শিবিৰৰো আয়োজন কৰা হৈছে।

0000000

আজি মহালয়া। আহিন মাহৰ অমাৱশ্যা তিথিটোক মহালয়া নামেৰে অভিহিত কৰা হয় আৰু এই দিনটোতে দিন-ৰাতিৰ সন্ধিক্ষণৰ পৰা মহালয়া পূজা আৰম্ভ হয়। মহালয়ৰ পৱিত্ৰ ক্ষণত দেৱী দুৰ্গাৰ ধৰালৈ আগমন ঘটে বুলি বিশ্বাস কৰা হয়। ইয়াৰ লগে লগেই দুৰ্গা পূজাৰ আধ্যাত্মিক পৰ্বসমূহো আৰম্ভ হয়। এইবাৰ দেৱীয়ে দোলাত আগমন কৰিব আৰু ঘোঁৰাৰে গমন কৰিব। মহালয়া উপলক্ষে পাৰ্বন শ্ৰাদ্ধ কৰা হয়। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ নৈ, জান-জুৰি ঘাটত পূৰ্বপুৰুষৰ আত্মাৰ সদগতিৰ বাবে ভক্তসকলে মহালয়াৰ পৱিত্ৰ ক্ষণত শ্ৰাদ্ধ আগবঢ়ায়। ৰাজ্যৰ ভিন্ন প্ৰান্তত মহালয়া উপলক্ষে উচবমুখৰ পৰিবেশৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়। পুৱতি নিশাই নদীৰ ঘাট, শক্তিপীঠ, দেৱীপীঠ, পূজাথলীসমূহলৈ ভক্তসকল ওলাই আহে।

যোৰহাটৰ গড়আলিত মহালয়া উপলক্ষে আজি পুৱতি নিশা ব্যাপক উৎসাহ উদ্দীপনা পৰিলক্ষিত হয়। ধুবুৰীতো এই উপলক্ষে ব্ৰহ্মপুত্ৰ ঘাটত অগণন লোকৰ ভিৰ পৰিলক্ষিত হয়। ধুবুৰীৰ কালীবাৰী প্ৰাঙ্গনত দেৱী দুৰ্গা বৰণ, মহীষাশূৰ মৰ্দিনী আদি নৃত্য-নাতিকা ৰূপায়ণ কৰা হয়। জিলাখনৰ বিভিন্ন ঠাইত প্ৰভাত ফেৰীৰো আয়োজন কৰা হয়। ইপিনে, বৰপেটা ৰোড আৰু হাউলীত পুৱতি নিশাতে বহু লোক ৰাজপথলৈ ওলাই অহাত ওখল-মাখল পৰিবেশৰ সৃষ্টি হয়। জিলাখনৰ কেইবাটাও সংঘ আৰু পূজা সমিতিৰ উদ্যোগত মহালয়া উপলক্ষে সমদল উলিওৱা হয়। এই সন্দৰ্ভত অধিক তথ্যৰ বাবে বৰপেটাৰ সংবাদদাতা অৰূপজ্যোতি মহন্তৰ ওচৰলৈ যাব বিচাৰিছো-

0000000

ৰাজ্য চৰকাৰৰ শ্ৰমিক কল্যাণ চাহ জনজাতি উন্নয়ন দপ্তৰৰ মন্ত্ৰী তথা গোলাঘাট জিলাৰ অভিভাৱক মন্ত্ৰী সঞ্জয় কিষাণে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত জিলাখনৰ বিভিন্ন বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনত ৰূপায়ণ হৈ থকা বিভিন্ন উন্নয়নমূলক আঁচনিসমূহৰ অগ্ৰগতিৰ বুজ লোৱাৰ লগতে নিৰ্ধাৰিত সময়ৰ ভিতৰত আঁচনিৰ কামসমূহ সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট পক্ষক নিৰ্দেশ দিয়ে।

oooooooo

গান্ধী জয়ন্তী উপলক্ষে কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশতে মাংসৰ দোকান আৰু জীৱ-জন্তুৰ বধশালাসমূহ বন্ধ কৰাৰ বাবে দিয়া নিৰ্দেশনাৰ অংশ হিচাপে যোৰহাট জিলা আয়ুক্তইও জিলাখনত আজি এই নিৰ্দেশনা কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিছে। আয়ুক্তগৰাকীয়ে আজিৰ দিনটোত জিলাখনৰ সকলো মাংসৰ দোকান আৰু বধশালাসমূহ বন্ধ ৰখাৰ লগতে এইক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ জিলা প্ৰশাসনৰ সংশ্লিষ্ট বিষয়াসকলক আহ্বান জনাইছে।

oooooooo

ৰাজ্যত আজিৰপৰা বন্যপ্ৰাণী সপ্তাহ আৰম্ভ হৈছে। ৰাজ্য চৰকাৰৰ পৰিৱেশ আৰু বন বিভাগৰ উদ্যোগত আৰম্ভ হোৱা এই বন্যপ্ৰাণী সপ্তাহৰ সময়ছোৱাত এইবাৰ ৰাজ্যখনৰ বিভিন্ন দুষ্প্ৰাপ্য বন্যপ্ৰাণীৰ বিষয়ে জনসাধাৰণক আশ্চৰ্যকৰ তথ্যসমূহ জনাবলৈ বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। সেই অনুসৰি এই বন্যপ্ৰাণী সপ্তাহৰ প্ৰতিটো দিনতেই বিভাগটোৱে একোটাকৈ বন্য জীৱৰ বিষয়ে ৰাইজক পৰিচয় কৰাই দিব। উল্লেখযোগ্য যে আজি আৰম্ভ হোৱা বন্যপ্ৰাণী সপ্তাহ অহা ৮ অক্টোবৰলৈ চলিব।

ooooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, মণিপুৰ আৰু ত্ৰিপুৰাত অহা দুদিনত ধাৰাসাৰ বৰষুণৰ আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা তথ্য অনুসৰি তামিলনাডু, পুডুচেৰী, কৰ্ণাটকৰ উপকূলীয় অঞ্চল আৰু কাৰাইকালত ৫ অক্টোবৰ পৰ্যন্ত মুষলধাৰ বৰষুণৰ সম্ভাৱনা আছে।

ooooooo

এ পি এছ চি কেলেংকাৰিত জড়িত ছজন বিষয়া আজি আদালতত হাজিৰ হোৱা এটা বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত বিস্তৃতভাৱে প্ৰকাশ কৰিছে। বাতৰিটোত উল্লেখ কৰা অনুসৰি বক্ৰপথেৰে এ পি এছ চিৰ চাকৰি লোৱা প্ৰমাণ থকা সত্বেও বিশেষ তদন্ত গোটে ৰক্ষণাবেক্ষণ দিয়া ৯জন অভিযুক্তৰ ছজন আজি আদালতত হাজিৰ হ'ব।

আমাৰ অসম কাকতে জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্পক লৈ কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ পুত্ৰ তথা মন্ত্ৰী প্ৰিয়াংক খাৰ্গেৰ মন্তব্যৰ বিৰোধিতাৰে মঙলবাৰে বিজেপিয়ে জাগীৰোডত বিশাল প্ৰতিবাদী কাৰ্যসূচী হাতত লোৱা বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমকে ধৰি দেশৰ ১৪খন বানপীড়িত ৰাজ্যলৈ ভাৰত চৰকাৰে সাহায্য আগবঢ়োৱা বাতৰিটো দৈনকি জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটোত অসমৰ বাবে ৭১৬ কোটি টকা মুকলি কৰি দিব বুলি উল্লেখ আছে।

আজি মহালয়া। মৰতলৈ দোলাত আগমন হৈ মা দুৰ্গাই ঘোঁৰাত গমন কৰিব। মহালয়াৰ বাতৰিটো প্ৰতিখন বাতৰি কাকতৰ লগতে অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দৈনিক অগ্ৰদূত কাকতে চলিত বৰ্ষত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৬০ শতাংশ লাভ কৰা ছাত্ৰীৰ লগতে ৭৫ শতাংশ নম্বৰ লাভ কৰা ছাত্ৰকো বাণীকান্ত কাকতি বঁটাৰ স্কুটী দিবলৈ কেবিনেটত সিদ্ধান্ত লোৱাৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিকে নিয়মীয়া বাৰ্তা কাকতখনেও উচ্চতৰ মাধ্যমিকত সুখ্যাতিৰে উত্তীৰ্ণ ৪৮ হাজাৰ ৬৭৩গৰাকী শিক্ষাৰ্থীক দিব স্কুটী শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দ্য ছেণ্টিনেল কাকতে এন আই এই লখিমপুৰত আই-ই-ডি উদ্ধাৰ কৰা বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰীক্ষা নিয়ন্ত্ৰক ড০ ধ্ৰুৱ জ্যোতি চৌধুৰীৰ মৃত্যু হোৱা বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অন্যান্য বাতৰিৰ আছে নগাঁৱৰ চুলুঙত মুকলি হ'ব ৰাজ্যৰ দশমখন টোলগেট, পৰ্যটকৰ বাবে মুকলি হ'ল কাজিৰঙা-ওৰাং ৰাষ্ট্ৰীয় উদ্যান আৰু ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰিব অসমীয়া ভাষাই ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

ooooooo

**সমাপ্ত**